# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-10-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে পাকিস্তানৰ উচ্চায়ুক্তৰ কাৰ্যবাহী ৰাষ্ট্ৰদূতগৰাকীক তলব কৰি দেশখনৰ পৰা অব্যাহত অনুপ্ৰৱেশক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কেইবাখনো সংসদীয় সমিতি পুনৰ গঠন কৰিছে।

৩। কেন্দ্ৰীয় উচ্চ শিক্ষা মন্ত্ৰ্যালয়ে ধ্ৰুপদী ভাষাৰ অধ্যয়নৰ বাবে ৫টা উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৪। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত কফি খেতি সম্প্ৰসাৰণ, উৎপাদনশীলতা আৰু গুণাগুণ উন্নত কৰাৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ বাবে একত্ৰিত প্ৰচেষ্টাৰ আহ্বান জনাইছে।

***আৰু***

৫। জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ আজি সামৰণি পৰিব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে পাকিস্তানৰ উচ্চায়ুক্তৰ কাৰ্যবাহী ৰাষ্ট্ৰদূতগৰাকীক তলব কৰি দেশখনৰ পৰা অব্যাহত অনুপ্ৰৱেশক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ভাৰতে লগতে পঞ্জাৱৰ ফিৰোজপুৰ খণ্ডত যোৱা যোৱা শুকুৰবাৰে সংঘটিত ঘটনা সন্দৰ্ভত পাকিস্তানে উত্থাপন কৰা অভিযোগ ভিত্তিহীন বুলি স্পষ্ট কৰি দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে, পাকিস্তানী পক্ষৰ ৩ গৰাকী লোকে পাকিস্তানৰ ফালৰ পৰা ভাৰতীয় ভূখণ্ডত প্ৰৱেশ কৰিব চেষ্টা কৰিছিল আৰু সীমান্ত সুৰক্ষা বাহিনী বি এছ্ এফে পাকিস্তানলৈ ঘূৰি যাবলৈ বাৰে বাৰে সকীয়াই দিয়া স্বত্বেও সীমান্তৰ বেৰৰ দিশে অগ্ৰসৰ হৈছিল। এনে পৰিস্থিতিত বি এছ্ এফে দেশৰ সুৰক্ষাৰ খাতিৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। এই ধৰণৰ ঘটনাই পাকিস্তানৰ ফালৰ পৰা হৈ থকা নিৰন্তৰ অনুপ্ৰৱেশ আৰু মাদক দ্ৰব্য সৰবৰাহৰ প্ৰয়াসকে প্ৰতিফলিত কৰে বুলি ভাৰতে স্পষ্ট কৰি দিছে। ভাৰতে চুবুৰীয়া দেশখনক অনুপ্ৰৱেশ আৰু মাদক দ্ৰব্যৰ সৰবৰাহৰ ঘটনাৰ তদন্ত কৰিবলৈ আৰু দেশখনৰ সীমান্ত সুৰক্ষা বাহিনীক প্ৰয়োজনীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিবলৈ আহ্বান জনাইছে। ইয়াৰ উপৰি পাকিস্তানক আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৱিত্ৰতাৰ প্ৰতি সন্মান জনাবলৈ আৰু চুবুৰীয়া দেশখনৰ ফালৰ পৰা অবৈধ গতি-বিধি বন্ধ কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কেইবাখনো সংসদীয় সমিতি পুনৰ গঠন কৰিছে। এই অনুসৰি বিজেপিৰ সাংসদ ভৰ্তৃহৰি মহতাবক লোকসভাৰ ২১ আৰু ৰাজ্যসভাৰ ১০ গৰাকী সদস্যৰে গঠিত বিত্ত বিষয়ক সমিতিৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে। কংগ্ৰেছৰ সাংসদ শশী থাৰুৰক বৈদেশিক পৰিক্ৰমা বিষয়ক সমিতিৰ সভাপতি হিচাপে নিয়োগ কৰা হৈছে। এই সমিতিত নিম্ন সদনৰ ২১ গৰাকী আৰু উচ্চ সদনৰ ১০ গৰাকী সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। একেদৰে বিজেপিৰ সাংসদ সুধীৰ গুপ্তাক ৰেলৰে আৰু লোকসভাৰ সাংসদ ড° কাকলী ঘোষ দস্তিদাৰক ৰাসায়নিক আৰু সাৰ বিষয়ক সমিতিৰ সভাপতি হিচাপে নিয়োগ কৰা হৈছে। কংগ্ৰেছৰ সাংসদ চৰণজিৎ সিং চান্নীক কৃষি, পশুপালন আৰু খাদ্য প্ৰস্কৰণ , বিজেপিৰ সাংসদ ৰাধা মোহন সিঙক প্ৰতিৰক্ষা, বিজেপিৰ সাংসদ ৰাজীৱ প্ৰতাপ ৰুডীক জলসম্পদ বিষয়ক সমিতিৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ইপিনে কংগ্ৰেছ সাংসদ সপ্তগিৰি উলাকাক গ্ৰামোন্নয়ন আৰু পঞ্চায়তী ৰাজ আৰু  বিজেপিৰ সাংসদ নিশিকান্ত ডুবেক যোগাযোগ আৰু তথ্য প্ৰযুক্তি বিষয়ক সমিতিৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে। এই সমিতিসমূহৰ কাৰ্যকাল যোৱা মাহৰ ২৬ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

ooooo

কেন্দ্ৰীয় উচ্চ শিক্ষা মন্ত্ৰ্যালয়ে ধ্ৰুপদী ভাষাৰ অধ্যয়নৰ বাবে ৫টা উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। উচ্চ শিক্ষা বিভাগে প্ৰকাশ কৰা মতে অসমীয়া, বাংলা, মাৰাঠী, পালি আৰু প্ৰাকৃত ভাষা অধ্যয়নৰ বাবে এই কেন্দ্ৰ কেইটা স্থাপন কৰা হ'ব। এই উদ্যমে উন্নত শৈক্ষিক গৱেষণা, ভাষিক তথা সাহিত্যিক ঐতিহ্যৰ সংৰক্ষণ তথা ডিজিটেল ৰূপ প্ৰদান আৰু এই ধ্ৰুপদী ভাষাসমূহৰ জ্ঞানৰ প্ৰসাৰৰ বাবে সুকীয়া প্ৰতিষ্ঠানগত সহায় আগবঢ়াব বুলি আশা কৰা হৈছে। অসমৰ তেজপুৰ বিশ্ববিদ্যালয়, পশ্চিমবংগৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়, পুনেৰ দেক্কান স্নাতকোত্তৰ মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান, ওড়িশাৰ ওড়িশা কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু গুজৰাটৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় এই উৎকৰ্ষ কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপে দেশৰ ধ্ৰুপদী ভাষাসমূহৰ অধ্যয়ন, গৱেষণা আৰু সংৰক্ষণত সহায় কৰিব।

ooooo

অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে ৰাজ্যত কফি খেতি সম্প্ৰসাৰণ, উৎপাদনশীলতা আৰু কফি  বীনৰ গুণাগুণ উন্নত কৰাৰ লগতে শক্তিশালী মূল্য শৃংখলৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধিৰ বাবে একত্ৰিত প্ৰচেষ্টাৰ আহ্বান জনাইছে। ভাৰতীয় কফি ব'ৰ্ড আৰু ৰাজ্যখনৰ কৃষি বিভাগে আয়োজন কৰা 'হিলছ টু কাপ' কফি কৰ্মশালাত ভাষণ দি শ্ৰী খাণ্ডুৱে কয় যে অৰুণাচলত কফি খেতি প্ৰায় পাঁচ দশক ধৰি চলি আহিছে যদিও ইয়াৰ সম্ভাৱনা অব্যৱহৃত হৈয়েই আছে। তেওঁ কয় যে ৰাজ্যখনত বৰ্তমান প্ৰায় ৬০০ হেক্টৰ মাটিত কফি খেতি কৰা হৈছে আৰু কাৰিকৰী সাহায্য, নীতিগত হস্তক্ষেপ আৰু মূল্য সংযোজনৰ প্ৰয়োজনীয়তাৰ ওপৰত  গুৰুত্ব আৰোপ কৰা হৈছে।  চৰকাৰে কৰ্মশালাৰ পৰামৰ্শসমূহ অনুসৰণ কৰিব আৰু খেতিয়কসকলক সমৰ্থন আগবঢ়াব বুলি ও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ যুৱ উদ্যোগীসকলক কফি খেতি, প্ৰক্ৰিয়াকৰণ আৰু আনুষংগিক উদ্যোগসমূহৰ সৈতে জড়িত হ'বলৈও  উৎসাহিত কৰে।

ooooo

উনবিংশ প্ৰবাসী ভাৰতীয় দিৱস অধিৱেশন অহা বছৰৰ ৭ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ পশ্চিম বংগৰ কলকাতাত অনুষ্ঠিত হ'ব। পশ্চিম বংগ চৰকাৰৰ সহযোগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই অধিৱেশনৰ আয়োজন কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া এই অধিৱেশনত প্ৰবাসী ভাৰতীয় সন্মান বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সমগ্ৰ বিশ্বৰ প্ৰবাসী ভাৰতীয়, প্ৰবাসী যুৱ নেতা, উদ্যোগী, পেছাদাৰী, শিক্ষাবিদ, উদ্ভাৱক আৰু অন্যান্য অংশীদাৰসকল একত্ৰিত হ'ব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ১৯১৫ চনৰ ৯ জানুৱাৰীত দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি অহা মহাত্মা গান্ধীক স্মৰণ কৰি প্ৰবাসী ভাৰতীয় দিৱস পালন কৰা হয়। প্ৰবাসী ভাৰতীয় দিৱস অধিৱেশনৰ ১৯ সংখ্যক সংস্কৰণে ভাৰতৰ সৈতে প্ৰবাসী ভাৰতীয়সকলৰ সংযোগ গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব।

ooooo

নিটি আয়োগৰ সদস্য ৰাজীৱ গৌবাই দ্ৰুতগতিত পৰিৱৰ্তিত ভূ-ৰাজনৈতিক, প্ৰযুক্তিগত আৰু অৰ্থনৈতিক পৰিৱেশৰ সমান্তৰালভাৱে নিয়ন্ত্ৰণ কাঠামোৰ বিকাশৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নিয়ন্ত্ৰণ আৰু বৃদ্ধিৰ মাজত কোনো এটা বাছি লোৱাটো নীতি নিৰ্ধাৰকসকলৰ মূল প্ৰত্যাহ্বান নহয় বৰঞ্চ উদ্ভাৱন, প্ৰতিযোগিতা আৰু বিনিয়োগক সমৰ্থন কৰাৰ লগতে বিপদসমূহ পৰিচালনা কৰা নিয়ম প্ৰস্তুত কৰাহে মূল প্ৰত্যাহ্বান। কালি নতুন দিল্লীত অনুষ্ঠিত পঞ্চম কৌটিল্য অৰ্থনৈতিক সন্মিলনত ভাষণ দি শ্ৰীগৌবাই এইদৰে কয়। তেওঁ উল্লেখ কৰে যে নিয়ন্ত্ৰকসকলে নতুন আৰু দ্ৰুতগতিত বিকশিত হোৱা খণ্ডসমূহত হস্তক্ষেপ কৰাৰ পূৰ্বে নতুন নিয়মৰ প্ৰয়োজনীয়তা আছে নে নাই সেই বিষয়ে সচেতনতাৰে মূল্যায়ন কৰিব লাগিব। তেওঁলোকৰ মাজত সমন্বয় ৰক্ষা কৰি চলিবলৈও শ্ৰী গৌবাই আহ্বান জনায়।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে কালি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অসমৰ বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাজিৰঙাৰ কঁহৰা বনাঞ্চলৰ মিহিমুখত আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰি কয় যে বন বিভাগ আৰু পৰ্যটন বিভাগে বৰ্ধিত পৰ্যটকৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃগাঁথনিৰ উন্নয়ন, বৰ্তমানৰ সুবিধাসমূহৰ আধুনিকীকৰণ আৰু নতুন আকৰ্ষণ সংযোজনৰ দিশত যৌথভাৱে কাম কৰি যাব। প্ৰাৰম্ভিক বুকিং আৰু পৰ্যটকৰ সঁহাৰি লৈ চাই এইবাৰ ৰাষ্ট্ৰীয় উদ্যানখনলৈ অভিলেখ সংখ্যক পৰ্যটকৰ আগমন ঘটিব বুলি তেওঁ আশা প্ৰকাশ কৰে। পৰ্যটনৰ বিকাশ যাতে স্থানীয় লোকৰ বাবে অধিক অৰ্থনৈতিক সুযোগলৈ ৰূপান্তৰিত হয়, সেই বিষয়ে গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অধিক সংখ্যক স্থানীয় লোকে যাতে পৰ্যটনকেন্দ্ৰিক কাম-কাজৰ জৰিয়তে স্বাৱলম্বী হ'ব পাৰে আৰু জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰে তাৰ বাবে প্ৰয়াস চলাই আছে। তেওঁ লগতে বন আৰু পৰ্যটন বিভাগে কাজিৰঙাৰ সমীপৱৰ্তী অন্যান্য আকৰ্ষণীয় স্থানসমূহক সামৰি নতুন পৰ্যটন চাৰ্কিট গঢ়ি তোলাৰ বাবে কাম কৰি আছে বুলি প্ৰকাশ কৰে। বন্যপ্ৰাণী সংৰক্ষণে কাজিৰঙাৰ পৰ্যটনৰ মূল ভেটি বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্ববিখ্যাত এটা খড়্গযুক্ত গড়ে দেশ বিদেশৰ পৰ্যটকৰ মূল আকৰ্ষণ। ৰাজ্য

চৰকাৰে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৰ বাবে গঁড় হত্যাৰ ঘটনা প্ৰায় নোহোৱা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই সংৰক্ষণ প্ৰচেষ্টাই কাজিৰঙাক বিশ্ব পৰ্যটনৰ মানচিত্ৰত অনন্য মাত্ৰা প্ৰদান কৰিছে।

অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকে। উদ্যানখনত কালিৰে পৰা জীপ ছাফাৰী সেৱা আৰম্ভ হৈছে। যাৱতীয় প্ৰস্তুতিৰ সম্পূৰ্ণ হোৱাৰ পিছত অহা ১০-২০ দিনৰ ভিতৰত হাতী ছাফাৰী সেৱাও পুনৰ আৰম্ভ কৰা হ’ব বুলি কোৱা হৈছে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কয়, যে ভাৰতে বৰ্তমান মুক্ত বাণিজ্য সম্পৰ্কৰ নেটৱৰ্ক নিৰ্মাণ কৰাৰ ওপৰত গুৰুত্ব দিছে আৰু ইয়াৰ জৰিয়তে বিশ্ব অৰ্থনীতিৰ ৭৫ৰ পৰা ৮০ শতাংশ সামৰি ল’ব পৰা যাব। চিকাগোত অনুষ্ঠিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰতীয় সমুদায়ৰ সংঘই আয়োজন কৰা এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে শেহতীয়া বৰ্ষসমূহত ভাৰতে বাণিজ্যৰ ক্ষেত্ৰত আলোচনাৰ জৰিয়তে বহুখিনি আগবাঢ়ি গৈছে আৰু অতি সোনকালে এই দিশত বহুকেইটা নতুন পদক্ষেপ গ্ৰহণ কৰাৰ থল আছে। তেওঁ লগতে কয় যে ক্ৰমবৰ্ধমান এই সুসম্পৰ্কই ভাৰতৰ পৰা আন্তৰ্জাতিক ক্ষেত্ৰত কাম কৰি থকা বহুজাতিক কোম্পানীসমূহে বজাৰ দখল কৰিবলৈ সমৰ্থ হ’ব। শ্ৰীগোৱেলে কয় যে ২০১৪ চনৰ পূৰ্বে ভাৰতৰ মুক্ত বাণিজ্য চুক্তিসমূহে আন্তৰ্জাতিক ক্ষেত্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ ১০ ট্ৰিলিয়ন ডলাৰৰ অংশ সামৰি লৈছিল। যোৱা ৪ৰ পৰা ৫ বছৰৰ ভিতৰত এই চুক্তিখনৰ জৰিয়তে ৩১ খন বিকশিত আৰু বিকাশশীল দেশক সামৰি এই পৰিমাণ ৬০ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

শ্ৰীগোৱেলে কয়, যে এনেধৰণৰ সিদ্ধান্তৰ জৰিয়তে ভাৰতে আন্তৰ্জাতিক বজাৰত আৰু ভালদৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ’ব। মন্ত্ৰীগৰাকীয়ে ভাৰতীয় মূলৰ আমেৰিকাৰ উদ্যমীসকলক ভাৰতৰ এই পদক্ষেপত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooo

জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ আজি সামৰণি পৰিব। নাগ’য়া চহৰৰ মিজোহো পাৰ্ক এথলেটিক্স ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬ বজাত সামৰণি অনুষ্ঠান আৰম্ভ হ’ব। ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শনেৰে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জ সহ মুঠ ৮৫টা পদকেৰে প্ৰতিযোগিতাৰ তালিকাত চতুৰ্থ স্থান দখল কৰিছে। সামৰণি অনুষ্ঠানত শ্যুটাৰ নিৰু ধান্দা ভাৰতৰ মহিলা ধ্বজ বহনকাৰী হ’ব। খেলুৱৈসকলৰ কুচ-কাৱাজ আৰু খেলৰ আনুষ্ঠানিক সামৰণিসহ ভালেমান পৰম্পৰাগত কাৰ্যক্ৰমেৰে সামৰণি অনুষ্ঠান সজাই তোলা হ’ব।

ooooo

**সমাপ্ত**